# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 24-03-2026 **Time :** 1100 Hrs.

মধ্য প্ৰাচ্যত সৃষ্টি হোৱা পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি দেশত প্ৰয়োজনীয় গেছ আৰু তেলৰ যোগান অটুত ৰাখিবলৈ ভাৰতে বিভিন্ন দেশৰ সৈতে যোগাযোগ ৰক্ষা কৰি আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি লোকসভাত মধ্য প্ৰাচ্যৰ শেহতীয়া পৰিস্থিতিক লৈ দিয়া বিবৃতিত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ এই যুদ্ধকালীন পৰিস্থিতিত ভাৰতত হোৱা পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ নাটনি উদ্বেগজনক বুলি অভিহিত কৰি সুদূৰপ্ৰসাৰী পৰিস্থিতিৰ বাবে দেশ সাজু থাকিব লাগিব বুলি উল্লেখ কৰে। দেশত সম্প্ৰতি ৫৩ লাখ মেট্ৰিকটন পেট্ৰ'লিয়াম জমা আছে আৰু এই ভাণ্ডাৰ ৬৫ লাখ মেট্ৰিকটনলৈ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। দেশৰ শোধন ক্ষমতা বৃদ্ধি কৰাৰ সমান্তৰালভাৱে সাঁৰুৱা তেল মজুতকৰণৰ অগ্ৰাধিকাৰ দিয়া হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০০০

ৰাজ্যৰ বিধানসভা নিৰ্বাচনত ১২৬টা সমষ্টিৰ বাবে ৮১৮ জন প্ৰাৰ্থীয়ে এহেজাৰ ৩৯১ খন মনোনয়ন পত্ৰ দাখিল কৰিছে। মনোনয়ন পত্ৰ দাখিলৰ কালি শেষৰ দিনা বিভিন্ন জিলাত ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলে দলীয় সতীৰ্থৰ উপস্থিতিত সমদল উলিয়াই জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত মনোনয়ন দাখিল কৰে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি **বোকাখাত** সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী অগপৰ অতুল বৰাৰ মনোনয়নৰ সময়ত উপস্থিত থাকে।

**গোলাঘাট** জিলাত ৫টা বিধানসভা সমষ্টিৰ বাবে মুঠ ১৯ গৰাকী প্ৰাৰ্থীয়ে কালি মনোনয়ন দাখিল কৰে।

প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়েও কালি **যোৰহাটত** মনোনয়ন পত্ৰ দাখিল কৰে।

**ডিব্ৰুগড়**ৰ ৬টা বিধানসভা সমষ্টিত কালি ২৪ জন প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। জ্যেষ্ঠ বিজেপি নেতা আৰু মন্ত্ৰী বিমল বৰাক মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত প্ৰাক্তন সাংসদ ৰামেশ্বৰ তেলীয়ে সংগ দিয়ে। তেলীয়ে নিজেও দুলীয়াজান সমষ্টিৰ পৰা বিজেপিৰ প্ৰাৰ্থী হিচাপে মনোনয়ন দাখিল কৰে।

**তিনিচুকীয়া**ত ২৭ জন প্ৰাৰ্থীয়ে কালি মনোনয়ন দাখিল কৰে।

**ধেমাজিত** কালি মনোনয়ন দাখিলৰ অন্তিম দিনা বিজেপিৰ প্ৰাৰ্থী মন্ত্ৰী ডা০ ৰণোজ পেগু, জীৱন গগৈ আৰু ভূবন পেগুকে ধৰি সৰ্বমুঠ ১৫ জনে মনোনয়ন দাখিল কৰে।

**কামৰূপ** মহানগৰ জিলাৰ ৫টা বিধানসভা সমষ্টিৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ মুঠ ২৬ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে।

**কামৰূপ** জিলাত ৬টা বিধানসভা সমষ্টিৰ বাবে মুঠ ৩৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে।

**ঢকুৱাখনা**ত বিগত তিনিটা কাৰ্যকালৰ বিধায়ক নৱ কুমাৰ দলেকে ধৰি ৪ গৰাকী প্ৰাৰ্থীয়ে কালি মনোনয়ন দাখিল কৰে। **লখিমপুৰ** জিলাৰ পাঁচটা বিধানসভা সমষ্টিৰ বাবে কালি বিজেপি, কংগ্ৰেছ, অসম গণ পৰিষদ আৰু অন্য দলৰ সৰ্বমুঠ ২৬ জন প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

ৰাজ্যত মনোনয়ন দাখিলৰ সামগ্ৰিক অৱলোকনৰ সৈতে এয়া আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰা–

**ভইচকাষ্ট (হেমন্ত বৰা)**

০০০০০০০

বিধানসভা নিৰ্বাচনৰ বাবে শাসক-বিৰোধী উভয় পক্ষই প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি জালুকবাৰী সমষ্টিত জন আশীৰ্বাদ যাত্ৰা আৰম্ভ কৰে। ড০ শৰ্মাই আজি কিছু সময় পাছতে ভৱানীপুৰ-সৰভোগ সমষ্টিৰ প্ৰাৰ্থী ৰঞ্জিত কুমাৰ দাসৰ সমৰ্থনত প্ৰচাৰ চলাবলৈ কেইবাটাও স্থানত জন আশীৰ্বাদ যাত্ৰাৰ কাৰ্যসূচীত অংশ ল'ব। ইয়াৰ উপৰি বিজেপিয়ে প্ৰায় ৪০ জন তাৰকা প্ৰচাৰকক লৈ নিৰ্বাচনী প্ৰচাৰ অভিযান চলাব বুলি দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই প্ৰকাশ কৰিছে। তেওঁলোকৰ ভিতৰত জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, দলৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ নেতা থাকিব বুলি শ্ৰী শইকীয়াই প্ৰকাশ কৰে।

একেদৰে কংগ্ৰেছ দলৰ নেতাসকলেও ৰাজ্যৰ ভিন্ন প্ৰান্তত নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা ৰিপুন বৰাই কালি বৰছলা বিধানসভা সমষ্টিত প্ৰচাৰ সভাত অংশ লোৱাৰ লগতে সমষ্টিটোৰ ৰাইজৰ ঘৰে ঘৰে গৈ প্ৰচাৰ চলায়। দেৱব্ৰত শইকীয়াই কালি নাজিৰাৰ পিয়লিফুকন পঞ্চায়তত নিৰ্বাচন উপলক্ষে দলীয় কৰ্মীসকলৰ সৈতে প্ৰচাৰ অভিযানত অংশ লয়। প্ৰচাৰৰ সময়ত তেওঁ ৰাইজৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ সমস্যা সমূহৰ বিষয়ে বুজ লয়। ৰাইজৰ দলৰ নেতা অখিল গগৈয়ে কালি শিৱসাগৰ জিলাৰ গৌৰীসাগৰ ব্লক কংগ্ৰেছৰ বিষয়ববীয়া আৰু কৰ্মীসকলৰ সৈতে ৰাজনৈতিক পৰ্যালোচনাত মিলিত হয়।

অসম জাতীয় পৰিষদৰ নেতা লুৰিনজ্যোতি গগৈয়ে কালি খোৱাং সমষ্টিৰ বগীবিল পঞ্চায়তত ৰাইজৰ সৈতে আলোচনাত মিলিত হয়।

০০০০০০০

ভোটদানৰ প্ৰতি জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে নিৰ্বাচন আয়োগৰ নিৰ্দেশ মৰ্মে প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণ অৰ্থাৎ ছুইপ কাৰ্যসূচীৰ অধীনত ৰাজ্যত এলানি বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ভোটদানৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্যৰে নাগৰিকসকলৰ মাজত গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ প্ৰতি দায়বদ্ধতা সৃষ্টি কৰিবলৈ অসমৰ মুখ্য নিৰ্বাচনী বিষয়াৰ তত্বাৱধানত জিলাই জিলাই ভোট দাতাৰ সজাগতা কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ইয়াৰ অংশ হিচাপে বাটৰ নাট, চিত্ৰাংকন প্ৰতিযোগিতা, আল্পনা প্ৰতিযোগিতা, শ্লোগান লিখন, দেৱাল লিখন, বাতৰি পৰিৱেশন আৰু পোষ্টৰ প্ৰস্তুতকৰণ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। বিভিন্ন জিলাত ভোটদাতাসকলক আকৰ্ষণৰ বাবে শুভংকৰ মুকলি কৰাৰ উপৰি জনপ্ৰিয় ব্যক্তিত্বক আইকন হিচাপে লৈ সজাগতা সৃষ্টি কৰা হৈছে। লখিমপুৰ জিলাত শুভংকৰ **বাখৰ** , শোণিতপুৰত **গণবন্ধু**, যোৰহাটত **যোলৌ**, গোলাঘাটত **চামেলি** আৰু কোকৰাঝাৰৰ শুভংকৰ **ডিমলু আৰু চিখিৰি**য়ে জসাধাৰণক আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে। যোৰহাটত অভিনৰ বৰাক আৰু লখিমপুৰত ৰাজীৱ দুৱৰীক ছুইপ আইকন হিচাপে লোৱা হৈছে। নিৰ্বাচনৰ ৰাজ্যিক আইকন পেৰাচাইক্লিষ্ট ৰাকেশ বনিকে জিলাসমূহত আয়োজন কৰা বিভিন্ন কাৰ্যসূচীৰ মাধ্যমেৰে ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টি কৰিব।

০০০০০০০

**সমাপ্ত**